# উৎকৰ্ষ

**ROOTED IN TRADITION, REACHING FOR THE STARS**

A NEWSLETTER OF **PANCHAYAT & RURAL DEVELOPMENT DEPARTMENT, ASSAM**

সত্যমেৱ জয়তে

অসম চৰকাৰ

VOL-1 ISSUE 01 | JANUARY 2025


**In this newsletter you can expect**


**Transforming Rural Assam** Key achievements of the panchayat and rural development department Page 3

**House to home...** PMAY-G helping millions to realize the dream of pucca houses Page 4

**Assam wins two national Panchayat awards for the year 2023-24** Page 6

**Happy tales from our hinterland** Page 10

**মহিলা সবলীকৰণ জীৱনৰ পৰিৱৰ্তন** Page 11


**ড° হিমন্ত বিশ্ব শৰ্মা**
**Dr. Himanta Biswa Sarma**

সত্যমেৱ জয়তে

**মুখ্যমন্ত্ৰী, অসম**
**Chief Minister, Assam**

দিছপুৰ
চি এম এছ. ৭/২০২৩/ ২৬৩০
২৬ ফাগুন, ১৪৩১ ভাস্কৰাব্দ
১১ মাৰ্চ, ২০২৫ ইং

## শুভেচ্ছাবাণী



পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ে ৰাজ্যখনৰ গ্ৰামাঞ্চলত বাস কৰা জনসাধাৰণৰ জীৱনধাৰণৰ মান উন্নীতকৰণৰ অৰ্থে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰি অহা বিভিন্ন উন্নয়নমূলক কাম-কাজসমূহক প্ৰতিফলিত কৰি ‘উৎকৰ্ষ- Rooted in Tradition, Reaching for the stars’ শীৰ্ষক এখন তিনিমহীয়া দ্বি-ভাষীক বাৰ্তালোচনী প্ৰকাশৰ যো-জা কৰা বুলি জানিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে গাঁৱত ভাৰতৰ আত্মা বাস কৰে বুলি মন্তব্য কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে গাঁওসমূহৰ অৰ্থনৈতিক সবলীকৰণৰ জৰিয়তেহে এখন সবল ভাৰতবৰ্ষ নিৰ্মাণ সম্ভৱ হ’ব। গ্ৰামাঞ্চলৰ জনসাধাৰণৰ জীৱিকাৰ সুবিধা বৃদ্ধি, দাৰিদ্ৰ বিমোচন, সামাজিক নিৰাপত্তা প্ৰদান আৰু অৰ্থনৈতিক অন্তৰ্ভুক্তিকৰণ নিশ্চিত কৰাৰ দিশত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে উৎসৰ্গিতভাৱে কাম-কাজ অব্যাহত ৰাখিছে। গ্ৰামাঞ্চলত বসবাস কৰা প্ৰতিটো পৰিয়ালে যাতে নিজাববীয়াকৈ আৱাসগৃহ লাভ কৰে সেই উদ্দেশ্যে বিভাগে ৰূপায়ণ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা- গ্ৰামীণ আঁচনিখনৰ জৰিয়তে ৰাজ্যত ১৯.৭৫ লাখ পৰিয়াল উপকৃত হৈছে। তেনেদৰে ‘ৰাষ্ট্ৰীয় সামাজিক সহায়তা কাৰ্যসূচী’ৰ জৰিয়তে প্ৰদান কৰা নিয়মীয়া সাহায্যৰ ধনৰাশি ৰাজ্যখনৰ ২৭ লাখ হিতাধিকাৰীয়ে প্ৰতিমাহৰ ১০ তাৰিখে নিজ নিজ বেংক একাউণ্ট যোগে লাভ কৰি আহিছে। ৩.৫৯ লাখ আত্মসহায়ক গোটৰ প্ৰায় ৪০ লাখ উদ্যমী মহিলাই গ্ৰাম্য অৰ্থনীতিক এক নতুন মাত্ৰা প্ৰদানত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে। বৰ্তমানলৈকে এনে আত্মসহায়ক গোটসমূহলৈ ৫৫৬.৩৪ কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱাৰ লগতে ২.১৭ লাখ আত্মসহায়ক গোটক ১০৮৯.৬ কোটি টকাৰ সহায়তা প্ৰদান কৰা হৈছে। গ্ৰামীণ মহিলা সমাজক অৰ্থনৈতিকভাৱে সবল কৰি তোলাৰ দিশত বিভাগে গ্ৰহণ কৰা উল্লেখনীয় ভূমিকাৰ বাবে ৰাজ্যখনৰ আত্মসহায়ক গোটৰ ৮.৮২ লাখ সদস্যাই লাখপতি বাইদেউ হিচাপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। এম জি এনৰেগা আঁচনিখনত মহিলাৰ অংশগ্ৰহণ ক্ৰমাগতভাৱে বৃদ্ধি পাই আহিছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ৰূপায়ণ কৰি থকা এনে উল্লেখনীয় কাম-কাজসমূহৰ খতিয়ান জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ প্ৰয়োজন আছে। আশা কৰোঁ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আয়ুক্তালয়ৰ এই বাৰ্তালোচনীখনে নিজ লক্ষ্য আৰু উদ্দেশ্য পূৰণত সফল হ’ব।

সদৌ শেষত বাৰ্তালোচনীখন পাঠক সমাজৰ দ্বাৰা সমাদৃত হ’ব বুলি আশা প্ৰকাশ কৰিলোঁ।

[ড° হিমন্ত বিশ্ব শৰ্মা]



*Wild elephants were earlier wreaking havoc are now seen zestfully engaging in a refreshing summer dip in one of these serene Sarovar of Rajapara.*



# FOREWORD

## From the Hon'ble Minister's Desk

প্ৰিয় পাঠক,

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ দ্বাৰা প্ৰকাশ কৰা "উৎকৰ্ষ- Rooted in Tradition, Reaching for the Stars" শীৰ্ষক নিউজ-লেটাৰৰ প্ৰথম সংস্কৰণখন আপোনালোকৰ হাতত তুলি দিবলৈ পাই বিভাগীয় মন্ত্ৰী হিচাপে মই যথেষ্ট আনন্দিত হৈছোঁ।

ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ বিকাশত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে ঐকান্তিকতাৰে তথা বিৰামহীনভাৱে কৰ্মত ব্ৰতী হৈ ৰাজ্যখনৰ গ্ৰামাঞ্চলৰ জনসাধাৰণৰ সৰ্বাংগীণ  বিকাশত উল্লেখযোগ্য ভূমিকা পালন কৰি আছে। প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত গৃহ প্ৰদানেই হওক, মহাত্মা গান্ধী নিয়োগ নিশ্চিত আঁচনিৰ অধীনত জৰ কাৰ্ড প্ৰদানৰ জৰিয়তে গ্ৰামাঞ্চলত নিয়োগৰ সুবিধা প্ৰদানৰ ব্যৱস্থা কৰাই হওক অথবা সামাজিক সাহায্য আঁচনিসমূহৰ দ্বাৰা নিঃস্ব লোকসকলক সাহায্য প্ৰদানেই হওক, এই বিভাগে জনসাধাৰণৰ কল্যাণৰ বাবে সকলো প্ৰচেষ্টা হাতত লৈছে। ভাল কথা যে গৃহহীনৰ বাবে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত এতিয়ালৈকে ১৯.৭৫ লাখ হিতাধিকাৰীক গৃহ প্ৰদান কৰা হৈছে। অসমত যাতে এজনো গৃহহীন লোক নাথাকে তাৰ বাবে আমি পাৰ্যমানে চেষ্টা কৰিম। দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা বৃদ্ধ, বিধৱা আৰু দিব্যাংগসকলৰ বাবে গ্ৰহণ কৰা সামাজিক সাহায্য আঁচনিসমূহৰ জৰিয়তেও ইতিমধ্যে ২৭ লাখতকৈ অধিক হিতাধিকাৰী লাভান্বিত হৈছে।

মহিলাৰ অংশগ্ৰহণৰ জৰিয়তে সমাজৰ উন্নয়ন ত্বৰান্বিত কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰে সদায় গুৰুত্ব প্ৰদান কৰি আহিছে। 'লাখপতি বাইদেউ'সকলৰ প্ৰগতিয়ে আমাক সন্তোষ দিছে। মহাত্মা গান্ধী নিয়োগ নিশ্চিত আঁচনিৰ অধীনতো ইতিমধ্যে মহিলাৰ অংশগ্ৰহণ যথেষ্ট বৃদ্ধি পোৱাতো নিশ্চয় এক ভাল লক্ষণ।

বিভাগীয় মন্ত্ৰী হিচাপে মই আপোনালোকক জনাও যে, প্ৰতিখন গাঁৱৰ সামগ্ৰিক ৰূপান্তৰ তথা গ্ৰামাঞ্চলৰ প্ৰতিগৰাকী ব্যক্তিৰ সৰ্বাংগীণ বিকাশৰ নিশ্চিতিকল্পে বিভাগটোৱে দায়বদ্ধতাৰে কৰ্মত অৱতীৰ্ণ হৈ আছে আৰু অনাগত সময়তো নিষ্ঠাৰে কাম কৰি যাব।

গ্ৰামাঞ্চলৰ প্ৰতিগৰাকী ব্যক্তিৰ জীৱন-ধাৰণৰ মান উন্নীতকৰণ, জীৱিকা অৰ্জনৰ পথ সুগম তথা ৰাজ্যখনৰ প্ৰতিখন গাঁৱৰ সামগ্ৰিক বিকাশ নিশ্চিত কৰাই হ'ল আমাৰ প্ৰাথমিক লক্ষ্য। এই বিকাশৰ অবিৰত যাত্ৰাৰ তথ্য প্ৰদানত এই নিউজ-লেটাৰে এক বলিষ্ঠ ভূমিকা পালন কৰিব বুলি মই আশাবাদী।

আহক, আমি সকলোৱে এই যাত্ৰাৰ এক অবিচ্ছেদ্য অংগ হিচাপে এখন শক্তিশালী তথা সৰ্বাংগসুন্দৰ অসম গঢ়াৰ যাত্ৰাৰ অংশীদাৰ হওঁ।

পুনৰ শুভেচ্ছাৰে-



(ৰণজিৎ কুমাৰ দাস)

# TRANSFORMING RURAL ASSAM

## KEY ACHIEVEMENTS OF THE PANCHAYAT AND RURAL DEVELOPMENT DEPARTMENT






**Dr. J. B Ekka**
Additional Chief Secretary to Govt. of Assam
Panchayat and Rural Development Department

The Panchayat & Rural Development Department plays a vital role in reducing rural poverty and enhancing livelihood opportunities. Through a focus on economic inclusion, social security, and empowerment, the department aims to uplift rural poor and transform the rural landscape. By implementing various programs and initiatives, it provides essential resources and opportunities for sustainable development.

One of its key initiatives is the Pradhan Mantri Awaas Yojana-Gramin (PMAY-G), which ensures "Housing for All" by providing affordable housing to rural families without proper shelter. To date, the scheme has benefited over 19.75 lakh people in Assam.

Another flagship program under the department is the Mahatma Gandhi National Rural Employment Guarantee Act (MGNREGA), which guarantees at least 100 days of wage employment per year to rural households willing to undertake unskilled manual labour. Currently, the unskilled wage rate under MGNREGA in Assam stands at ₹249 per day. Efforts are being made to ensure wage employment for every worker who demands work, along with timely wage payments. The participation of women in MGNREGA has been increasing, as men often go for higher-paying works in the city, while women prefer to work within their own villages.

To support the most vulnerable sections of society, the National Social Assistance Programme (NSAP) provides financial aid to the elderly, widows, and persons with disabilities. At present, more than 27 lakh beneficiaries in Assam receive assistance under this scheme before 10th day of every month through DBT.



The Fifteenth Finance Commission Grants play a crucial role in strengthening rural local bodies. These grants are divided into Untied and Tied Grants, with the former catering to location-specific needs and the latter allocated for essential services such as sanitation, drinking water supply, rainwater harvesting, and water recycling. Assam's total allocation under the Fifteenth Finance Commission (2020-21 to 2025-26) stands at ₹7857.00 crore, including allocations for Sixth Schedule areas. The funds are distributed among Gaon Panchayats, Anchalik Panchayats, and Zilla Parishads in a 70:15:15 ratio.

The department is also committed to strengthening Panchayati Raj Institutions (PRIs), which form the backbone of decentralized governance. A recent delimitation exercise in Assam will help ensure a more equitable distribution of resources, effective governance, and efficient implementation of government programs through Gaon Panchayats, Anchalik Panchayats, and Zilla Parishads.

The Assam State Rural Livelihoods Mission (ASRLM), under DAY-NRLM, has successfully mobilized 39.37 lakh rural women into 3.59 lakh Self-Help Groups (SHGs) across the state. So far, 3.38 lakh SHGs have received Revolving Fund (RF) assistance amounting to ₹556.34 crore, while 2.17 lakh SHGs have been supported through the Community Investment Fund (CIF) with ₹1,089.6 crore. The Bank Credit linkage for SHGs remains strong, with timely loan repayments and an NPA rate of less than 1%. Over 8.82 lakh SHG members have become "Lakhpati Mahila," earning more than ₹1 lakh annually.

The department's commitment to poverty alleviation, livelihood generation, and rural development is driving transformative changes across rural Assam. While significant progress has been made, the journey toward sustainable and inclusive growth continues, with ample opportunities for further improvements in the coming years.

# House to home...

## PMAY-G helping millions to realize the dream of pucca houses



**Puspanjalee Das**
SPE (IEC & Grievance, PMAY-G)

Smt. Nikita Ghatuwal could not stop smiling as the block officials from Baghmara Development Block, Biswanath reached her home for the preparation of Grihapravesh on 9th January, 2025. Nikita was one of the 50,000 beneficiaries under Pradhan Mantri Awaas Yojana- Gramin whose newly built house was centrally inaugurated in a Grihapravesh ceremony by Shri Shivraj Singh Chouhan, Hon'ble Union Minister, Agriculture, Farmers' welfare and Rural Development.

In her words, "গোহালিৰ কাষত এই ভগা ঘৰটোত ইমান বছৰ থাকিলো। আজিৰ পৰা আৰু নালাগে৷ আজিৰ পৰা আমিও ভাল ঘৰত থাকিম" (For so long, we lived near the cattle shed. But from today on, we will live in our pucca house).

Nikita's words and emotions are the perfect example of how Pradhan Mantri Awaas Yojana- Gramin has helped more than 19 lakh 75 thousand people in Assam to fulfill their dream of having a pucca house. And to encourage the pace of the development, the Deptt of Panchayat and Rural Development has been organizing central Grihapravesh ceremony for the completed PMAY-G houses regularly.

The first Grihapravesh ceremony was held on 13th July, 2023 for more than 3,08,640 PMAY-G beneficiaries in the presence of MPs/VIP/Dignitaries across Assam. Hon'ble Chief Minister of Assam, Dr. Himanta Biswa Sarma graced the central function at Srimanta Sankaradeva International Auditorium, Srimanta Sankaradeva Kalakshetra, Guwahati and raised the curtain for the ceremony.



The second Grihapravesh of more than 5,55,555 PMAY-G beneficiaries was completed in the presence of Hon'ble Prime Minister Shri Narendra Modi on 9th March, 2024 at Meleng Meteli Pathar, Jorhat. In his speech, Hon'ble PM celebrated the happiness of all the people who started their new journey on that day and encouraged the Govt of Assam to maintain the pace of development in the state.

**Pradhan Mantri Awaas Yojana- Gramin has helped more than 19 lakh 75 thousand people in Assam to fulfill their dream**

The next Grihapravesh ceremony was held in Assam on the occasion of the launch of PMAY-G 2.0 on 17th September, 2024 that took place all over the country. Assam also took part in the National Grihapravesh ceremony along with 1,03, 575 completed PMAY-G.

But what marked the last Grihapravesh ceremony in January, 2025 special is the announcement by the Hon'ble Union Minister allotting 3,88,358 new houses under PMAY-G for the Financial Year 2024-







25 to Assam. These announcements were a step towards fulfilling the commitment of 'housing for all' by the Hon'ble Prime Minister Shri Narendra Modi.

Now, Assam is all set to start the Awaas plus survey which is set to mark new eligible households in rural areas to get benefits under PMAY-G. This survey is unique as this survey will not only done by the Gaon Panchayat officials but will also facilitate self-survey by anyone who wants to get benefits under PMAY-G (if eligible).

As wished by the Hon'ble CM, Dr Himanta Biswa Sarma, "no eligible people will be left out to live without a pucca house in Assam", we hope that with these new targets and the upcoming Awaas Plus survey, one day, no one in our villages will sleep without a roof above him.



## No eligible people will be left out to live without a pucca house in Assam

Dr Himanta Biswa Sarma
Chief Minister, Assam

BENEFICIARIES

# Speakout

***we are very happy to have a house under PMAY-G. Thanks Government, thanks district administration***

Kalpona Goar, Dolugram GP under Banskandi Development Block, Cachar



***A house was a dream for our family. That dream came true with the Government's initiative***

Murali Bayan, Jania GP under Mandia Development Block, Barpeta district



***Life was miserable before getting the PMAY-G house. Only homeless can realise the importance of a house. Thanks to Hon'ble CM sir***

Gayatri Bhomij, Abhaypur GP under Sonari Development Block, Charaideo district



***We used to live in bamboo hut . Now government has provided us a pucca house. We are grateful to them***

Rita Rajbongshi, Pachim Mayong GP under Chandrapur Development Block , Kamrup(M)



***We faced a lot of difficulties before getting this house. I want to thank Assam Government to provide a house to me and my family.***

Md. Mojnu Hoque, Anandanagar Bangalipara under Bilasipara block, Dhubri district




*Keerthi Jalli, IAS, Commissioner and Dr. Jayanta Goswami Additional Commissioner, Panchayat and Rural Development receiving the award from Hon'ble President of India, Droupadi Murmu.*

# Assam wins TWO NATIONAL PANCHAYAT AWARDS for the year 2023-24

The National Panchayat Award is an honour given by the Ministry of Panchayati Raj to the best performing Panchayats for contributing to sustainable and inclusive development in rural India. The awardee GPs are recognised in a central ceremony along with a financial incentive for further development of the GP The National Panchayat Awards are usually celebrated annually on 24th April in conjunction with National Panchayati Raj Day to commemorate the 73rd Constitution Amendment Act, 1992 which came into force with effect from 24th April, 1993. The National Panchayat Awards are a multi-level pyramid competition of Panchayati Raj Institutions (PRIs) at Block, District, State/ UT and National level under 9 Sustainable Goal Themes. These themes are:

1. Poverty-free and Enhanced Livelihoods Panchayat.
2. Healthy Panchayat
3. Child-friendly Panchayat
4. Water sufficient Panchayat
5. Clean and green Panchayat
6. Self-sufficient infrastructure Panchayat
7. Socially secured Panchayat
8. Panchayat with Good governance
9. Women friendly Panchayat





## National Panchayat Awards to Jengrai Gram Panchayat and Bebejia Dimow Bangthai Gaon Panchayat

Jengrai Gram Panchayat under Ujani Majuli Development Block of Majuli district and Bebejia Dimow Bangthai Gaon Panchayat under Khagarijan Development Block of Nagaon District have made our state proud by receiving 1st position in Child Friendly Panchayat and 2nd best Panchayat Award in "Nanaji Deshmukh Sarvottam Panchayat Satat Vikas Puraskar Category respectively in the year 2023-24. In a special event held at Vigyan Bhawan, New Delhi on 11th December 2025 Keerthi Jalli, IAS, Commissioner and Dr. Jayanta Goswami Additional Commissioner, Panchayat and Rural Development received the award from Hon'ble President of India, Droupadi Murmu.



*A pavers block at Bebejia Dimow Bangthai Gaon Panchayat*

# -এই গাঁও নিচেই আপোন-

## Jengrai Gaon Panchayat the Child Friendly Panchayat



*An Angadwadi centre at Jengrai Gaon Panchayat*

Jengrai Gram Panchayat of Majuli district which received the first position on the theme Child-Friendly Panchayat was recognized for outstanding initiatives in improving the welfare and development of children in rural areas. This award highlights the importance of creating environments that nurture children, ensuring access to education, healthcare, and safe spaces for their growth. The key achievements of the GP are highlighted as follows:

- All Anganwadi centers providing nutritional support and early education to all children.
- 21 primary schools and 7 well-maintained playgrounds, 1 volleyball court for learning and physical development of children.
- Strong focus on children's physical well-being with the construction of 2 stadiums for sports and recreational activities
- Zero Child Labour, Zero Child Abuse and Zero Crime against children recorded.




*Newly constructed Gram Panchayat Bhawan at Bebejia Dimow Bangthai Gaon Panchayat*



*Pipe water supply under 15th Finance Commission Scheme*

## Bebejia Dimow Bangthai Gaon Panchayat the 2nd Sarvottam Panchayat

In this year 2023-24 with approximately 1.94 lakh Gram Panchayats and equivalent bodies participated in the National Panchayat Awards competition. Bebejia Dimow Bangthai Gaon Panchayat under Khagarijan Development Block is awarded as 2nd Best Gram Panchayat under "Nanaji Deshmukh Sarvottam Panchayat Satat Vikas Puraskar" in the year 2024. This National Panchayat Award was given for aggregate performance under all the 9 award themes of DDUPSVP.



*Material collection centre*






*A PMAY-G house*

# DELIMITATION OF RURAL LOCAL BODIES

## Strengthening the third- tier government




**Abhijit Misra**
Senior State Project Manager,
(Panchayati Raj)

The process of delimitation of the state's rural local bodies, plays a crucial role in ensuring the optimal distribution of resources, effective governance, and efficient implementation of government programs. The recent delimitation exercise involving the Gaon Panchayat, Anchalik Panchayat, and Zilla Parishad was carried out in line with the evolving needs of the state and aims to address the challenges arising from the overlapping of the jurisdiction of rural local bodies due to the delimitation of Legislative Assembly Constituencies (LACs). The Hon'ble Cabinet, in its meeting held on 19th June 2024, accepted the proposal to carry out this delimitation, leading to changes in the jurisdiction and number of these local bodies as per local needs.

**Context and Need for Delimitation:** Before the delimitation, the existing jurisdictions of the Rural Local Bodies were spread across more than one LAC, creating structural inefficiencies. These inefficiencies led to challenges in resource allocation, program implementation, and monitoring. The shift in boundaries and administrative structures posed difficulties in catering to the evolving needs of the state. Therefore, delimitation was essential to streamline governance, ensure optimal resource allocation, and improve program delivery across various regions.

**Delimitation of Gaon Panchayat, Anchalik Panchayat, and Zilla Parishad:** Following the approval of the proposal, the delimitation of these key rural local bodies was carried out in the general areas of the state. The main outcomes of the delimitation is that the number of Gaon Panchayats (GP) has decreased from 2,197 to 2,192, reflecting a realignment to accommodate changes in the LAC boundaries and enhance administrative effectiveness. Similarly, the number of Anchalik Panchayats (AP) has been reduced from 185 to 181 to ensure their alignment with the new LAC boundaries and improve operational efficiency. The Zilla Parishad




Constituencies (ZPC) have also seen a reduction, from 420 to 397, contributing to a more streamlined administrative setup. However, the number of Zilla Parishads (ZP) remains unchanged at 27, as their existing structure continues to meet the jurisdictional and administrative requirements of the state effectively.

**Impact of the Delimitation:**

- **Simplicity and Clarity in Administration:** The process of delimitation will helps to simplify the administrative structure, making it easier for both the local administration and the public to understand and navigate governance processes. This will lead to greater transparency and accountability.
- **Improved Resource Allocation:** The realignment of administrative boundaries will ensures that resources are distributed more efficiently and equitably, reducing the inefficiencies created by overlapping jurisdictions. Local bodies will now have better control over the allocation of resources to meet the needs of their respective populations.
- **Enhanced Monitoring and Governance:** With a more streamlined and coherent structure, monitoring becomes more effective. Authorities will be able to oversee and evaluate the implementation of programs with greater precision, leading to improved governance at the grassroots level.

The delimitation of Gaon Panchayat, Anchalik Panchayat, and Zilla Parishad, approved by the Hon'ble Cabinet, represents a vital step toward improving governance, resource allocation, and program implementation in the state. The reductions in the number of Gaon Panchayats and Anchalik Panchayats, alongside the continued structure of the Zilla Parishads, will help address the structural inefficiencies arising from the previous jurisdictions of the Development Blocks. This process sets the foundation for better and more efficient local governance that is aligned with the evolving needs of the state.

# বজালী জিলাৰ সাৰংগপুৰীয়াত উন্নয়নৰ যাত্ৰা

## বিলৰ পানীৰে ভৰি থকা ভূমি পুনৰ কৃষিৰ উপযোগী কৰি তোলাৰ অনন্য প্ৰয়াস




*কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্যিক মন্ত্ৰী সঞ্জয় শেঠ ডাঙৰীয়াই প্ৰকল্প পৰিদৰ্শনৰ সময়চোৱাত . . .*



*কেন্দ্ৰীয় যোগাযোগ আৰু গ্ৰামোন্নয়ন ৰাজ্যিক মন্ত্ৰী ডাঃ পেম্মাছানী চন্দ্ৰশেখৰ ডাঙৰীয়াই প্ৰকল্প বুজ লোৱাৰ মুহূৰ্তত . . .*

বজালী জিলাৰ অন্তৰ্গত সাৰংগপুৰীয়া বিলৰ পানীৰে ভৰি থকা কৃষিভূমি পুনৰ কৃষিৰ উপযোগী কৰি তোলাৰ হেতু গ্ৰহণ কৰা "সাৰংগপুৰীয়া কৃষি প্ৰকল্প" অঞ্চলটোৰ এক উল্লেখযোগ্য পদক্ষেপ। বিগত ২০ বছৰ এই অঞ্চলৰ প্ৰায় ২৫০ হেক্টৰ উৰ্বৰ কৃষিভূমিত পানী জমা হৈ থকাৰ ফলত স্থানীয় কৃষকসকলৰ জীৱিকাৰ ওপৰত গুৰুতৰ প্ৰভাৱ পৰিছিল। এই প্ৰকল্পৰ যোগেদি পৰম্পৰাগত আৰু আধুনিক পানী নিষ্কাশন ব্যৱস্থাপনাৰ সংমিশ্ৰণেৰে কৃষিভূমি পুনৰুদ্ধাৰ কৰাৰ লগতে কৃষি উৎপাদনশীলতা বৃদ্ধি কৰা হৈছে।

বজালী জিলাৰ বজালী উন্নয়ন খণ্ডৰ বামুনকুছি গাঁও পঞ্চায়তৰ এলেকাত অৱস্থিত বৰনলীকুছি গাঁৱৰ বৃহৎ সংখ্যক কৃষক পৰিয়ালক কেন্দ্ৰ কৰি এই প্ৰকল্পটো লোৱা হৈছে । উক্ত প্ৰকল্পটো বৰনলীকুছি গাঁৱৰ বালাট্ৰাৰী চুবাত অৱস্থিত (স্থানাংক: ২৬.৪৮১৮০৯২, ৯১.২৪০৭৭৮২)। উক্ত প্ৰকল্পটো বজালী উন্নয়ন খণ্ডৰ তত্বাৱধানত বামুনকুছি গাঁও পঞ্চায়তৰ দ্বাৰা ৰূপায়ণ কৰি থকা হৈছে। কৃষি-ভূমি পুনৰ উদ্ধাৰ, ভৱিষ্যতে পানী জমা ৰোধ কৰাৰ বাবে পানী নিষ্কাশনৰ ব্যৱস্থাৰ উন্নীতকৰণ, কৃষি কাৰ্যকলাপ পুনৰুজ্জীৱিত কৰি স্থানীয় কৃষক তথা অন্যান্য পৰিয়ালসমূহৰ আৰ্থ-সামাজিক অৱস্থা টনকিয়াল কৰা আদিয়েই এই প্ৰকল্পটোৰ মূল উদ্দেশ্য।

এই প্ৰকল্পটো সম্পন্ন কৰিবলৈ ইউ.এ.ভি. (UAV), ডি.জি.পি.এছ. (DGPS,), আৰু জিআইএছ (GIS)ৰ দৰে উন্নত প্ৰযুক্তি ব্যৱহাৰ কৰি পানী জমা হোৱাৰ পৰিসৰৰ মূল্যায়ন আৰু সফল ৰূপায়ণৰ পৰিকল্পনা কৰিবলৈ বিস্তৃত জৰীপ কৰা হৈছিল। অসম ৰাজ্যিক মহাকাশ প্ৰয়োগ কেন্দ্ৰ আৰু আই আই টি গুৱাহাটীৰ দৰে বিশেষজ্ঞ প্ৰতিষ্ঠানসমূহেও পৰিকল্পনা প্ৰস্তুতকৰণত জড়িত হৈ আছিল আৰু শেহতীয়া কৌশল প্ৰয়োগৰ নিশ্চিতি প্ৰদান কৰিছিল। এম.জি.এনৰেগা আঁচনি আৰু পঞ্চদশ বিত্তীয় আয়োগৰ জৰিয়তে এই প্ৰকল্পটো এক বৃহৎ পৰিসৰত ৰূপায়ণৰ সুবিধা লাভ কৰা হৈছে।

মূল কাৰ্য-কলাপসমূহৰ ভিতৰত পানীৰ প্ৰবাহ নিয়ন্ত্ৰণ কৰিবলৈ স্লুইচ গেট নিৰ্মাণ আৰু পানীৰ গতি পথ সলনি কৰি, অতিৰিক্ত পানী নিষ্কাশন কৰাত সহায়ক হোৱাকৈ পৰম্পৰাগত খালসমূহৰ পুনৰুদ্ধাৰ কৰা, অমৃত সৰোবৰ প্ৰকল্পৰ সৈতে একত্ৰীকৰণ কৰাৰ লগতে ভূমিৰ উৎপাদনশীলতা বৃদ্ধিৰ ব্যৱস্থা কৰা হৈছে।

ইতিমধ্যে প্ৰায় ১২০০ বিঘা কৃষিভূমিৰ ভিতৰত প্ৰায় ৫০০ বিঘা কৃষিভূমি কৃষিৰ উপযোগী কৰি তোলাৰ ইতিবাচক ফল পোৱা গৈছে। এই ভূমিত প্ৰায় ০.৮৫ কোটি মূল্যৰ বাৰ্ষিক ধানৰ লগতে অন্যান্য কৃষিজাত সামগ্ৰী উৎপাদন হোৱাৰ লগতে অমৃত সৰোবৰৰ ফলত মাটিৰ উৰ্বৰতা আৰু জৈৱ-বৈচিত্ৰ্য ৰক্ষা হ'ব বুলি আশা কৰিব পাৰি । ইয়াৰ উপৰিও প্ৰকল্পটোৱে পানী নিষ্কাশন পদ্ধতিৰ উন্নতি সাধন কৰিছে, ফলত এলেকাটোত বসবাস কৰা পৰিয়ালসমূহে পানী জমা হৈ থকা হেতু ভৱিষ্যতে সৃষ্টি হ'ব পৰা বিভিন্ন সমস্যাৰ পৰা হাত সাৰিবলৈ সক্ষম হৈছে। তদুপৰি, বিভিন্ন জলজ অপতৃণৰ পৰা মুক্ত হৈ মাটিৰ উৰ্বৰতা বৃদ্ধি হোৱাৰ লগতে মহ তথা অন্যান্য বিষাক্ত কীট-পতংগৰ প্ৰজনন ৰোধ কৰা সম্ভৱ হৈছে।

উক্ত প্ৰকল্পটোৱে অকল কৃষিৰ উৎপাদনশীলতা বৃদ্ধি কৰাই নহয়, এক বৃহৎ এলেকাৰ চৰকাৰী ভূমিও পুনৰ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। এই পুনৰুদ্ধাৰ কৰা ভূমিত অমৃত সৰোবৰৰ দৰে প্ৰকল্পৰ বিকাশ সাধন কৰি মৎস্য পালনৰ ব্যৱস্থা কৰা হৈছে আৰু এই মৎস্য বিক্ৰীৰ দ্বাৰা গাঁওবাসীৰ আৰ্থিক অৱস্থা অধিক স্বচ্ছল হ'ব বুলি আশা কৰিব পাৰি । অদূৰ ভৱিষ্যতে উক্ত ভূমিত অধিক জনমুখী প্ৰকল্পৰ জৰিয়তে স্থানীয় কৃষক তথা অন্যান্য পৰিয়ালসমূহৰ আৰ্থ-সামাজিক অৱস্থা টনকিয়াল কৰিব পৰা যাব । উল্লেখ কৰিব লাগিব যে এম. জি. এনৰেগা আঁচনি আৰু পঞ্চদশ বিত্তীয় আয়োগৰ পুঁজিকে ধৰি অন্যান্য আঁচনিৰ সংমিশ্ৰণে এই প্ৰকল্পটোৰ সফল ৰূপায়ণত সহায়ক হৈছে । সামগ্ৰিকভাৱে প্ৰতিটো ঋতুতে পানীত আৱদ্ধ হৈ থকা এই কৃষি ভূমিসমূহ কৃষিৰ উপযোগী কৰাৰ প্ৰচেষ্টাই কেৱল কৃষি উৎপাদনশীলতাক পুনৰুজ্জীৱিত কৰাই নহয়, এলেকাটোত বসবাস কৰা পৰিয়ালসমূহৰ আৰ্থ-সামাজিক অৱস্থাও বৃদ্ধি কৰিছে, বহনক্ষম উন্নয়নৰ বাবে এক আৰ্হি স্থাপন কৰিছে। উক্ত প্ৰকল্পটো অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, সাধাৰণ প্ৰশাসন, পৰ্যটন, ন্যায় আদি বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ১৪ নৱেম্বৰ ২০২৪ তাৰিখে শুভ উদ্বোধন কৰে। আনহাতে ৬ জানুৱাৰী ২০২৫ তাৰিখে উক্ত প্ৰকল্পটো কেন্দ্ৰীয় প্ৰতিৰক্ষা ৰাজ্যিক মন্ত্ৰী সঞ্জয় শেঠ আৰু ২৪ জানুৱাৰী ২০২৫ তাৰিখে কেন্দ্ৰীয় যোগাযোগ আৰু গ্ৰামোন্নয়ন ৰাজ্যিক মন্ত্ৰী ডাঃ পেম্মাছানী চন্দ্ৰ শেখৰে পৰিদৰ্শন কৰি ইয়াৰ ৰূপায়ণত সন্তুষ্টি প্ৰকাশ কৰে ।

**শ্ৰী চন্দন বেজবৰুৱা**
খণ্ড উন্নয়ন বিষয়া, বজালী উন্নয়ন খণ্ড





# DRAGON FRUIT BRINGS SMILE TO FARMER

Dragon fruit cultivation in India is a profitable business that can be a good source of income for farmers. Dragon fruit is a herbaceous perennial climbing cactus. It is a good income-generating fruit. The crop provides fast return with income production in the first year after planting and full production is attained in 3-4 years. Keeping in mind the profit motive, Kadomtola GP, under Mahamaya Development Block of Dhubri District, introduced an IBS scheme of Dragon fruit planted in the land of Ayubal Mojid at village Beltari. Ayubal Mojid is a BPL holder beneficiary. He has a land of 0.5 Bigha for cultivation. In the Gram Sobha, the Panchayat decided to take up the scheme of Dragon fruit plantation in the land of Ayubal Mojid under MGNREGA for the 2022-23.

The technical team of the Gaon Panchayat concerned PRIs and the local VMC Committee were actively involved in the scheme. The plants were purchased from a local Nursery. The beneficiary planted the dragon fruit with a technical method, applying controlled water in the land to help grow crops. The land was developed to retain rainwater. The Block Development Officer and the Assistant Executive Engineer of the Mahamaya Development Block strictly monitored the whole progress of the Scheme.

## Impact

The Dragon fruit plantation under Mahatma Gandhi NREGA has provided significant employment opportunities for beneficiaries, contributing to the economic growth of the country as well as good earnings for them.

**Economic Potential and Market Demand**: Dragon fruit, known for its numerous health benefits, is in high demand both in local and international markets. As a result, beneficiaries have the potential to earn substantial income through the cultivation of dragon fruit.

**Economic Development of Beneficiaries**: The successful implementation of the scheme is expected to lead to the economic upliftment of the beneficiaries, enhancing their financial stability.

Ayubal Mojid is now a busy farmer with an average monthly income Rs.8000. With this income, he can not only support his family but ensure a steady, sustainable livelihood. Overall, it has proved to be a great success for the beneficiary and implementing agency as well.

**Zakinur Hussain**
Assistant Engineer (AE)

# PRESERVING AND ENHANCING THE BEAUTY OF DORIA LAKE

Development and Beautification of Doria Lake was one of the important projects implemented by Kamalabari Gaon Panchayat under Majuli Development Block, Majuli, Assam with an Estimated Cost of Rs. 36,75,256 (Wage: Rs. 33,87,207.20 & Material: Rs. 2,88,048.00) in the Financial Year 2020-21. The person day created under it was 13,308 numbers. The main purpose of this scheme was to develop and beautify the areas in and around Daria Lake, one of the ancient lakes of Majuli which is famous for its scenic beauty and migratory birds. The scheme was first placed in the Gaon Sabha, after approval from the Gaon Sabha, the estimate was prepared under MGNREGA as per the rules & guidelines.



The entire Majuli has been highly benefitted by the Scheme as this scheme has elevated the pristine beauty of the ancient Doria Lake. The scheme created opportunities for recreational activity and tourist attractions around Doria Lake. Besides this, to make it a tourist attraction centre, a children's park named Jaltarnga has been constructed through convergence with 15$^{th}$ Finance Commission Grant. "Jaltaranga Park" is the first of its kind in the entire Majuli District (Kamalabari Gaon Panchayat). It has also been proved as an important revenue-generating asset for the Kamalabari Gaon Panchayat under Majuli Development Block. Hence, the project plays an important role in the socio-economic and aesthetic development of the concerned area.

# মহিলা সবলীকৰণ



## জীৱনৰ পৰিৱৰ্তন





ভুমি উন্নীতকৰণ কৰ্মত ব্যস্ত মহিলাসকলৰ কৰ্মৰত মুহূৰ্ত

অসমৰ কামৰূপ জিলাৰ অন্তৰ্গত বকো উন্নয়ন খণ্ডত বৰ্তমান সেউজীয়া সৌন্দৰ্যৰে ভৰপূৰ প্ৰকৃতিৰ এক বিনন্দীয়া পৰিৱেশত নীৰৱে সূচনা হৈছে এক বিপ্লৱৰ। এই বিপ্লৱ সমাজ পৰিৱৰ্তনৰ বিপ্লৱ। এই বিপ্লৱে সমাজলৈ কঢ়িয়াই আনিছে এক শুভ-বাৰ্তা।

যিসকল মহিলাই পূৰ্বতে সমাজৰ এক নিৰ্দিষ্ট গণ্ডীত আবদ্ধ আছিল, সেই সকল মহিলাই এতিয়া মহাত্মা গান্ধী এনৰেগাৰ বিভিন্ন আঁচনিত কৰ্মসংস্থাপনৰ জৰিয়তে আত্মনিয়োগ কৰি অৰ্থনৈতিক স্বাধীনতা, সামাজিক সবলীকৰণ আৰু দক্ষতা বিকাশৰ ক্ষেত্ৰত পূৰ্ণ সুযোগ লাভ কৰিবলৈ সক্ষম হৈছে।

### বিভিন্ন বাধাৰ প্ৰাচীৰ ভাঙি, ভৱিষ্যৎ গঢ়াৰ সংকল্পৰে . . . .

বকো উন্নয়ন খণ্ডত মহাত্মা গান্ধী এনৰেগাৰ অধীনত ৬০% জৱ কাৰ্ডপ্ৰাপ্ত মহিলা আছে আৰু এই সকল মহিলাই এতিয়াৰ দৰে অনাগত দিনতো সফলতা লাভ কৰাৰ পথত এই আঁচনিখনে অপৰিসীম ভূমিকা গ্ৰহণ কৰিব।

### পৰিৱৰ্তনৰ এক যাত্ৰা

মহাত্মা গান্ধী এনৰেগা আঁচনি ৰূপায়ণৰ পূৰ্বে হাহিম আৰু চামুকা গাঁৱৰ মহিলাসকলৰ জীৱন-যাত্ৰা ঘৰুৱা কাম-কাজৰ মাজতেই সীমাবদ্ধ আছিল আৰু এওঁলোকে আৰ্থিকভাৱে স্বাৱলম্বী হোৱা কাম-কাজসমূহতো সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ বাবে পৰ্যাপ্ত সা-সুবিধা পোৱা নাছিল। কিন্তু মহাত্মা গান্ধী এনৰেগা আঁচনি কাৰ্যকৰী হোৱাৰ পাছত এই মহিলাসকলে নিজকে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন, কৃষিকাৰ্য তথা পানী সংৰক্ষণ প্ৰকল্পকে আদি কৰি বিভিন্ন আঁচনিত অংশগ্ৰহণ কৰিবলৈ সুবিধা পালে।



কৃষি অৰ্থনীতি অধিক ত্বৰান্বিত কৰাৰ লক্ষ্যৰে পুৱ লুকী গাঁও পঞ্চায়ত এলেকাত জৱ কাৰ্ডপ্ৰাপ্ত মহিলাসকলে নিৰ্মাণ কৰা জলসিঞ্চন খালৰ দৃশ্য



### অৰ্থনৈতিক স্বাধীনতাৰে সবলীকৰণ

হাহিম আৰু চামুকা গাঁৱৰ মহিলাসকলে মহাত্মা গান্ধী এনৰেগাৰ জৰিয়তে জীৱন তথা সমাজ পৰিৱৰ্তনৰ এক উজ্জ্বল নিৰ্দশন দাঙি ধৰিব পাৰিছে। এই গাঁওসমূহৰ এক বৃহৎ সংখ্যক মহিলাই ইতিমধ্যে মহাত্মা গান্ধী এনৰেগাৰ বিভিন্ন আঁচনিৰ লগত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰাৰ লগতে সমাজৰ বিভিন্ন ঘাত-প্ৰতিঘাতসমূহ অতিক্ৰম কৰি অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাৰ ক্ষেত্ৰত এক নতুন পথৰ সূচনা কৰিছে।

ফলস্বৰূপে মহিলাসকলে তেওঁলোকৰ জীৱনৰ বিভিন্ন গুৰুত্বপূৰ্ণ সিদ্ধান্ত অথবা পৰিয়ালৰ মঙ্গল সাধনৰ ক্ষেত্ৰত লোৱা সিদ্ধান্তসমূহ নিজে ল'ব পৰা হ'ল। আনকি, সন্তানসকলৰ শিক্ষাৰ ক্ষেত্ৰতো এতিয়া মহিলাসকলে খৰচ-পাতি বহনৰ দায়িত্ব লৈ পৰিয়ালটোক আৰ্থিকভাৱে যথেষ্ট সকাহ দিবলৈ সক্ষম হৈছে। এক কথাত ক'বলৈ গ'লে, এই অৰ্থনৈতিক স্বাধীনতাই তেওঁলোকক সমাজৰ প্ৰচলিত নীতি-নিয়মৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাবলৈ আৰু নিজৰ অধিকাৰসমূহৰ প্ৰতি সচেতন কৰি তুলিলে। মহাত্মা গান্ধী এনৰেগা আঁচনিৰ অধীনত জৱ- কাৰ্ডপ্ৰাপ্ত মহিলাসকলৰ অংশগ্ৰহণে সমাজৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন সাধন কৰি মহিলাসকলক উন্নয়নৰ সম-অংশীদাৰ হিচাপে স্বীকৃতি দিয়া হৈছে।

### পুনৰাবৃত্তিৰ বাবে এক আদৰ্শ

হাহিম আৰু চামুকা গাঁৱৰ মহিলাসকলৰ এনে সফলতা আন আন গ্ৰামাঞ্চলৰ বাবে এক আদৰ্শ হৈ ৰ'ব। তেওঁলোকৰ এই যাত্ৰাই সমস্ত বাধা নেওচি নতুন পথৰ সূচনা কৰিছে আৰু অনাগত সময়ত আন মহিলাসকলকো তেওঁলোকৰ পদাংক অনুসৰণ কৰিবলৈ অনুপ্ৰাণিত কৰিব।

**শ্ৰী গংগোত্ৰী নেওগ**
খণ্ড উন্নয়ন বিষয়া, বকো উন্নয়ন খণ্ড

## Technical Workshop cum Review on PMAY-G and MGNREGA in Karbi Anglong, West Karbi Anglong, Dima Hasao district, Cachar, Sribhumi, Dhemaji, BTR







# Editorial Column



**Keerthi Jalli IAS**
Commissioner, Panchayat and Rural Development, Assam

Dear Team,

As we embark on a new year, I am pleased to introduce Utkarsha—a platform envisioned to celebrate our achievements, share inspiring stories from the field, and foster collaboration that will drive transformative change. As part of the Department of Panchayati Raj & Rural Development (PnRD), we are privileged to witness and contribute to some of the most remarkable developmental transformations in our rural landscapes. These milestones are a testament to the commitment and dedication of each one of you.

In this context, I wish to draw your attention to a thought-provoking passage from Richard Dawkins' The Blind Watchmaker, which underscores a fundamental truth about sustained effort and progress: "Staving off death is a thing that you have to work at. Left to itself—and that is what it is when it dies—the body tends to revert to a state of equilibrium with its environment. If you measure some quantity such as the temperature, the acidity, the water content or the electrical potential in a living body, you will typically find that it is markedly different from the corresponding measure in the surroundings. Our bodies, for instance, are usually hotter than our surroundings, and in cold climates they have to work hard to maintain the differential. More generally, if living things didn't work actively to prevent it, they would eventually merge into their surroundings, and cease to exist as autonomous beings."

This principle extends beyond biology—it is a reflection of our collective mission. If we cease to push boundaries, to innovate, and to strive for excellence, we risk stagnation. The responsibility of driving change, improving lives, and shaping the future rests with us, and it demands relentless effort, resilience, and dedication. Let us reaffirm our commitment to transforming lives, strengthening rural communities, and taking our great state to newer heights.

(Source : Bezo letter to shareholders )

Please send in stories from the field telling us about your experiments and experiences whilst dealing with myriad issues and let us know of the good work you've been doing.
Mail us at utkarshapnrd@gmail.com
My special thanks to Editorial Board and PRO for bringing out Utkarsha despite the time constraints and other challenges.

To share your valuable thoughts on উৎকর্ষ
please email us: utkarshapnrd@gmail.com